# নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চা

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ চি.বি.চি.এচ. (C.B.C.S.)ৰ অসমীয়া বিষয়ৰ
সন্মান পাঠ্যক্ৰমৰ ষষ্ঠ ষাণ্মাসিকৰ ডি.এচ.ই. (D.S.E.- 4B)ৰ
পাঠ্যক্ৰমৰ বাবে দাখিল কৰা প্ৰকল্প প্ৰতিবেদন

**প্ৰস্তুতকৰ্তা**

ত্ৰিবেণী সন্দিকৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ
পঞ্জীয়ন নং ঃ **S2131982**
ৰোল নং ঃ **30410049**
২০২৪ বৰ্ষ

**হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়**

# অসমীয়া বিভাগ
# হেমচন্দ্র দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী

## প্ৰমাণ পত্ৰ

শ্ৰীমতী ত্ৰিবেণী সন্দিকৈ, ৰোল নং 30410049 স্নাতক কলা শাখাৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰী। তেওঁ মোৰ তত্ত্বাৱধানত অসমীয়া সন্মান বিষয়ৰ DSE-4(B) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে 'নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চা' বিষয়ত অধ্যয়ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

দিকুমনি চুতীয়া
তত্ত্বাৱধায়ক 20/5/2024
অসমীয়া বিভাগ
হেমচন্দ্র দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী
শিৱসাগৰ, অসম

অসমীয়া বিভাগ

# হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়

নিতাইপুখুৰী, জিলা ঃ শিৱসাগৰ, অসম, পিন ঃ ৭৮৫৬৭১

প্ৰসঙ্গ নং ঃ ..............................

তাৰিখ ঃ 20/05/2024

## প্ৰমাণ পত্ৰ

শ্ৰীমতী ত্ৰিবেণী সন্দিকৈ, ৰোল নং 30410049 স্নাতক কলা শাখাৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰী। তেওঁ পিকুমণি চুতীয়াৰ তত্বাৱধানত অসমীয়া সন্মান বিষয়ৰ DSE-4(B) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে 'নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চা' বিষয়ত অধ্যয়ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

নিৰুপ দাস

বিভাগীয় প্ৰধান

অসমীয়া বিভাগ

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী

শিৱসাগৰ, অসম

Head of Deptt. Assamese

H.C.D.G. College

Nitaipukhuri, Sivasagar

# কৃতজ্ঞতা জ্ঞাপন

'নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চা' শীৰ্ষক প্ৰকল্প প্ৰতিবেদনখন হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা পিকুমণি চুতীয়া বাইদেউৰ তত্ত্বাৱধানত সম্পাদনা কৰা হৈছে। বহু ব্যস্ততাৰ মাজতো তেওঁ বিষয়বস্তু নিৰ্বাচনৰ পৰা আৰম্ভ কৰি সূক্ষ্মভাৱে বিষয়বস্তু নিৰীক্ষণ কৰি ভুল-ত্ৰুটিবোৰ শুধৰাই দিয়াৰ লগতে নানা দিহা-পৰামৰ্শৰে প্ৰকল্প প্ৰস্তুত কৰাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছে। তেওঁ লৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অসমীয়া বিভাগৰ শিক্ষাগুৰু বিভাগীয় প্ৰধান নিভা দাস প্ৰমুখ্যে অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক দিগন্ত গগৈ আৰু মৃদুস্মিতা দত্ত, শিল্পীশিখা গগৈয়ে প্ৰকল্প প্ৰতিবেদনখনৰ বাবে বিভিন্ন তথ্য সম্ভেদ দি নানা ক্ষেত্ৰত সহায় কৰিছে। গৱেষণা কৰ্মৰ অন্তৰ্গত বিষয় হিচাপে গৱেষণা পত্ৰ পাঠ কৰা ছেমিনাৰ বিলাকত ছাৰ আৰু বাইদেউসকল উপস্থিত থাকি নানা দিহা-পৰামৰ্শৰে আমাক অনুপ্ৰাণিত কৰিছে। তেওঁলোকক অশেষ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰকল্প প্ৰতিবেদনখন প্ৰস্তুত কৰোঁতে বিভিন্ন তথ্য আহৰণত সহায়-সহযোগিতা আগবঢ়োৱা ৰজনীকান্ত দত্ত, আৰতি তামুলী বৰগোহাঁই, চাৰু কোঁৱৰ, মনোৰঞ্জন গগৈ, গৱেষক ৰিপু কছাৰী প্ৰমুখ্যে ব্যক্তিসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত কিতাপ-পত্ৰ, সংগ দি সহায় সহযোগিতা আগবঢ়োৱা মধুস্মিতা চাংমাই, কৰবী চেতিয়া, ভাস্কৰজ্যোতি বৰগোহাঁই, বাস্তৱ সন্দিকৈ সকলোলৈকে অশেষ ধন্যবাদ জনাইছোঁ ডি.টি.পি. ত সহায় কৰা সুদীপ্ত চেতিয়া আৰু মালবিকা দিহিঙ্গীয়ালৈও ধন্যবাদ জনালোঁ।

ত্ৰিবেণী সন্দিকৈ

(ত্ৰিবেণী সন্দিকৈ)
ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়,
নিতাইপুখুৰী
২০২৪ চন

# সূচীপত্ৰ


| | পৃষ্ঠা |
|---|---|
| ০.০ প্ৰস্তাৱনা | |
| ০.১ বিষয়ৰ পৰিচয় | ১ |
| ০.২ বিষয়ৰ প্ৰয়োজনীয়তা | ১-২ |
| ০.৩ অধ্যয়নৰ পৰিসৰ | ২ |
| ০.৪ অধ্যয়নৰ পদ্ধতি | ২ |
| ০.৫ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা | ২ |
| ১.০ নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ ইতিহাস | ৩-৪ |
| ১.১ নিতাই-পানীদিহিং অঞ্চলৰ নাট্যানুষ্ঠানসমূহ | ৪-৫ |
| ১.২ নিতাই-পানীদিহিং অঞ্চলৰ উল্লেখযোগ্য নাট্যগোষ্ঠী আৰু নাট্যমঞ্চসমূহৰ পৰিচয় | ৫-৯ |
| ১.৩ নিতাই-পানীদিহিং অঞ্চলৰ নাটক আৰু নাট্যকাৰসকলৰ অৱদান | ৯-১০ |
| ১.৪ নিতাইপুখুৰীৰ লেখিকা সংস্থা | ১০ |
| ১.৫ সামাজিক মাধ্যমত প্ৰচাৰিত নাটক | ১১ |
| ২.০ নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ | ১২-১৩ |
| ৩.০ সিদ্ধান্ত | ১৪-১৫ |
| ৪.০ উপসংহাৰ | ১৬ |
| প্ৰসংগ সূত্ৰ | ১৭ |
| গ্ৰন্থপঞ্জী | ১৮ |
| পৰিশিষ্ট -১ ঃ প্ৰকল্প প্ৰস্তুতকৰণৰ বাবে সমল ব্যক্তিক সোধা প্ৰশ্নৰ নমুনা | ১৯ |
| পৰিশিষ্ট -২ ঃ তথ্য দাতাৰ তালিকা | ২০-২১ |
| পৰিশিষ্ট -৩ ঃ আলোকচিত্ৰ | ২২-২৭ |

## ০.০ প্ৰস্তাৱনা ঃ

নাটক হৈছে এক প্ৰকাৰৰ শক্তিশালী দৃশ্য-শ্ৰব্য কলা আৰু অত্যন্ত প্ৰভাৱশালী গণমাধ্যম তথা ই সমাজৰ দিকদৰ্শক আৰু দাপোনস্বৰূপ। অসমীয়া নাট্য সাহিত্যৰ ইতিহাসলৈ মন কৰিলে দেখা যায় যে পঞ্চদশ শতিকাৰ মাজভাগত শ্ৰীমন্ত শঙ্কৰদেৱে (১৪৪৯-১৫৬৮) বিভিন্ন লোকনাট্যৰ পৰা সমল সংগ্ৰহ কৰি অসমীয়া নাটকৰ শুভাৰম্ভ ঘটায় আৰু পৰৱৰ্তী সময়ৰ লগত থাপ খোৱাকৈ অসমীয়া নাটকত বিভিন্ন ধাৰাৰ সৃষ্টি হৈছে। যিহেতু সুকুমাৰ কলাসমূহৰ ভিতৰত এটা প্ৰধান শিল্প নাটক। অন্য কলা সমূহতকৈ নাটক সমাজৰ সৈতে গভীৰভাৱে সম্পৰ্কিত। অন্য কিছুমান সাহিত্য যেনে- গল্প, উপন্যাস, প্ৰবন্ধ, কবিতা আদি পাঠকে পাঠ কৰি বা শুনিহে ৰস লাভ কৰিব পাৰে। কিন্তু নাটক পঢ়াৰ লগতে চকুৰে চাই আৰু শুনিও আনন্দ উপভোগ কৰিব পাৰে।

অসমৰ উত্তৰ-পূব দিশত অৱস্থিত শিৱসাগৰ জিলাৰ নিতাই-পানীদিহিং অঞ্চলটো যুগৰ লগত সংগতি ৰাখি বিভিন্ন সময়ত, বিভিন্ন দিশৰ লগতে সাংস্কৃতিক দিশত অতি আগবঢ়া অঞ্চল হিচাপে পৰিগণিত হৈছে। বিশেষকৈ ত্ৰিশৰ দশকতে এই অঞ্চলটোত বিভিন্নজন স্বনামধন্য লোকৰ প্ৰচেষ্টাত নাট্যচৰ্চাই প্ৰাণ পাই উঠিছিল। ত্ৰিশৰ দশকতে অতুল চন্দ্ৰ হাজৰিকাৰ 'শ্ৰীৰাম চন্দ্ৰ' নাটক মঞ্চস্থ কৰা হৈছিল।[১]

পৰৱৰ্তী সময়ছোৱাত কেইজনমান নাট্যপ্ৰেমী লোকৰ সহযোগত বিভিন্ন মঞ্চ নিৰ্মাণ হৈছিল। এনেদৰেই নিতাই-পানীদিহিং অঞ্চলটোত কেইবাটাও স্থায়ী-অস্থায়ী নাট্যমঞ্চ আৰু নাট্যগোষ্ঠী গঠন হয়। বিভিন্নজন নাট পৰিচালকে নাট পৰিচালনা কৰাৰ উপৰিও ভ্ৰাম্যমাণ নাট্যদলসমূহেও দৰ্শকৰ অভিৰুচিৰ ওপৰত নিৰ্ভৰ কৰি তিনি-চাৰিখনকৈ ৰুচিসম্পন্ন নাটক দৰ্শকক উপহাৰ দিবলৈ যত্নপৰ হৈছিল। ইয়াৰ উৎকৃষ্ট নিদৰ্শন হ'ল 'জ্যোতিৰূপা থিয়েটাৰ' (১৯৭৫)। এনেদৰে পৰৱৰ্তী সময়ছোৱাত নাট্যকৰ্মীসকলে নাটক মঞ্চস্থ কৰি সমগ্ৰ নিতাই-পানীদিহিং অঞ্চলটোৰ নাট্য-সাহিত্যৰ জগতখন জীপাল কৰি তোলে। এনেদৰেই বৃহত্তৰ গ্ৰাম্যাঞ্চলটোত নাট্যচৰ্চাৰ সূচনা হয়।

## ০.১ বিষয়ৰ পৰিচয় :

এই প্ৰকল্পৰ জৰিয়তে সমগ্ৰ নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ ইতিহাসৰ এক অধ্যয়ন কৰিবলৈ লোৱা হৈছে।

## ০.২ অধ্যয়নৰ প্ৰয়োজনীয়তা :

নিতাই-পানীদিহিং শিৱসাগৰ জিলাৰ এক প্ৰান্তীয় অঞ্চল। কৃষিৰ সৈতে জড়িত এই বৃহৎ গ্ৰাম্যাঞ্চলটোৰ কলা-কৃষ্টি চৰ্চাৰ লগতে নাট্যচৰ্চা সম্পৰ্কীয় বহু তথ্য এই অঞ্চলৰ জনসাধাৰণৰ সৈতেও জড়িত হৈ আছে। এই অধ্যয়নৰ জৰিয়তে নাট্যচৰ্চা সম্পৰ্কীয় বহু তথ্য জানিব পৰা যাব আৰু এই অধ্যয়নে বিদ্যায়তনিক ক্ষেত্ৰত ভৱিষ্যত প্ৰজন্মৰ বাবেও প্ৰয়োজনীয় হ'ব বুলি আশা

Head of the ... ... College ... Nitaipukhuri, Sivasagar

কৰা হৈছে। আনহাতে এনে অধ্যয়নে নাট্যচৰ্চাত বৰ্তি সকলোকে উৎসাহী কৰাৰ থল আছে। তদুপৰি এই অঞ্চলটোৰ শৈক্ষিক সাংস্কৃতিক আৰু বুৰঞ্জী প্ৰণয়নৰ ক্ষেত্ৰতো সহায়ক হ'ব বুলি আশাবাদী।

### ০.৩ অধ্যয়নৰ পৰিসৰ :

অধ্যয়নৰ পৰিসৰ হিচাপে শিৱসাগৰ জিলাত অৱস্থিত নিতাই-পানীদিহিং মৌজা দুটা বাচি লোৱা হৈছে। এই অধ্যয়নত মৌজা দুটাৰ অন্তৰ্গত নাট্যকাৰ, অভিনেতা তথা তেওঁলোকৰ সৃষ্টিকৰ্মৰ লগতে নাট্যচৰ্চাত অৰিহণা যোগোৱা নাট্য শিল্পীসকলৰ চমু পৰিচয় আগবঢ়াবলৈ চেষ্টা কৰা হৈছে। লগতে নাট্যগোষ্ঠীৰ অৱদান আৰু নাট্যচৰ্চাৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বান আদি দিশসমূহক সামৰি লোৱা হৈছে।

### ০.৪ অধ্যয়নৰ পদ্ধতি :

এই অধ্যয়নত ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু পুথিভঁৰালৰ পৰা সমল আহৰণ কৰি বৰ্ণনাত্মক তথা ঐতিহাসিক পদ্ধতিৰ সহায় লোৱা হৈছে।

### ০.৫ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা :

নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ বিষয়ে পূৰ্বতে কোনেও যে অধ্যয়ন কৰা নাই এনে নহয়। নাট্যকাৰ তথা অভিনেতাসকলৰ বিভিন্ন প্ৰবন্ধ পোৱা গৈছে যদিও প্ৰতিবেদনৰ এটি পূৰ্বকৃত অধ্যয়ন কৰিবলৈ সেই সমূহ যথেষ্ট বা পৰ্যাপ্ত নহয়। প্ৰত্যেক বিষয়ৰে পুংখানুপুংখ তথ্য আৰু বিশ্লেষণেহে বিষয়বস্তুক প্ৰকৃত মাত্ৰা প্ৰদান কৰে। প্ৰকল্প প্ৰস্তুত কৰোঁতে হাতপুথি হিচাপে লোৱা কিতাপ কেইখন হ'ল- লিলি হাজৰিকাই সম্পাদনা কৰা 'দিহিং পাৰৰ জোনাক', সৰুজ চেতিয়াৰ 'জ্ঞানম', শিৱৰঞ্জন শৰ্মাই সম্পাদনা কৰা 'জ্যোতিপ্ৰৱাহ' আদি। বিভিন্ন আলোচনী, স্মৃতিগ্ৰন্থ, প্ৰবন্ধ ইত্যাদিৰ পৰা তথ্যসমূহ লোৱা হৈছে ।

DDas

Head of the Dept. Assamese
N. G. D. C. College
Nitaipukhuri, Sivasagar

## ১.০ নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ ইতিহাস:

নিতাই-পানীদিহিং অঞ্চলৰ অন্যতম শিক্ষানুষ্ঠান হ'ল নিতাইপুখুৰী এম. ভি. স্কুল অৰ্থাৎ বৰ্তমানৰ নিতাইপুখুৰী মাধ্যমিক বিদ্যালয় (১৯২৪)এই শিক্ষানুষ্ঠানখনৰ পাৰতে ত্ৰিশৰ দশকতে অতুল চন্দ্ৰ হাজৰিকাৰ 'শ্ৰীৰামচন্দ্ৰ' নাটক মঞ্চস্থ কৰা হৈছিল। এই নাটত অভিনয় কৰা ব্যক্তি সকলৰ ভিতৰত নাৰায়ণ শৰ্মা, হৰি প্ৰসাদ শৰ্মা, কমলদে পুলৰ ভোগেশ্বৰ দত্ত, বাপুতিগড়ৰ টুনিৰাম দত্ত, জামিৰাৰ সদানন্দ কছাৰী আৰু বহুৱাবাৰীৰ ভূপেন গগৈ বৰুৱা অন্যতম। শ্ৰী ৰামচন্দ্ৰৰ চৰিত্ৰত অভিনয় কৰি ভোগেশ্বৰ দত্তই দৰ্শকক মুগ্ধ কৰিছিল।[১] সম্ভৱত চল্লিশ দশকৰো আগত নিতাইপুখুৰী পাৰত এখন নাট মঞ্চস্থ হৈছিল যি নাটত সোণাৰাম হাজৰিকাই 'নৰকাসুৰ' চৰিত্ৰত অভিনয় কৰি বচনভঙ্গীৰে নিতাইপুখুৰী পাৰ কঁপাইছিল ইয়াৰ উপৰিও সুজন ভট্টাচাৰ্য্যৰ 'কালাপাহাৰ', চৈয়দ ইমতিয়াজ আলিৰ 'আনাৰকলি', লক্ষ্যধৰ চৌধুৰীৰ 'ৰক্ষকুমাৰ', গনেশ চন্দ্ৰ গগৈৰ 'কাশ্মীৰ কুমাৰী,'শকুনিৰ প্ৰতিশোধ' আদি পৌৰাণিক নাটক নিতাইপুখুৰীত কৰিবলৈ কোনো সুবিধা নথকা সময়তো অস্থায়ীভাৱে মঞ্চ তৈয়াৰ কৰি মঞ্চস্থ কৰা হৈছিল। 'শকুনিৰ প্ৰতিশোধ' নাটকত শকুনিৰ চৰিত্ৰত বুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ আৰু কৃষ্ণৰ চৰিত্ৰত শশী বুঢ়াগোহাঁই, নাৰায়ণ শৰ্মা, মানিক বৰা আদিয়ে অভিনয় কৰি দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল।

সেইসময়ত নাট্যজগতৰ লগত বিশেষভাৱে জড়িত ব্যক্তিসকল আছিল ভূধৰ কোঁৱৰ, মানিক বৰা, বুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ, ভূপেন গগৈ বৰুৱা, শশী বুঢ়াগোহাঁই, যদু বৰুৱা, নৰেন লাহন, দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ভাবী বৰুৱা, ফটিক কোঁৱৰ, কমল কোঁৱৰ, দুলেন গগৈ, লুহিত গগৈ, হৰি শৰ্মা, ৰূপেশ্বৰ গগৈ, ৰোহিনী বৰা, মঙ্গল দিহিঙীয়া, দীন দিহিঙীয়া, ফটিক শইকীয়া, পুষ্প চাংমাই, অকন গগৈ, চৈতন্য কোঁৱৰ, জগত গগৈ, উমা বেজবৰুৱা, উপেন কোঁৱৰ, জীৱেশ্বৰ বৰা, সুশীল দত্ত, সাধিৰাম শইকীয়া আদি।

আশীৰ দশকত অনুপ হাজৰিকা, দেনিছ হাজৰিকা, বিজয় বৰবৰুৱা, ভবেন গগৈ আদিৰ নেতৃত্বত দিহিঙীয়া গাঁৱত,'আলোক নাট্যগোষ্ঠী' জন্ম আৰু বিনোদ ফুকন, ভূৱন বৰবৰুৱা, স্মৃতি হাজৰিকা, কল্পনা বৰবৰুৱা, ৰঞ্জন শৰ্মা, মুকুট গগৈ, ৰাজেন দত্ত আদিৰ সহযোগীতাই এই অনুষ্ঠানক সবল কৰি তুলিছিল।এই গোষ্ঠীৰ উদ্যোগত 'ৰূপালীম', 'শকুনিৰ প্ৰতিশোধ' নাট মঞ্চস্থ কৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত 'এখন নাটকৰ জন্ম','চিৰাজ' কৰাৰ উপৰিও প্ৰায়ে একাংকিকা নাট মঞ্চস্থ কৰা হৈছিল। অনুপ হাজৰিকাই 'নেশ্বনেল স্কুল অৱ ড্ৰামা'ত অধ্যয়ন কৰি অহাৰ পাচত সম্প্ৰতি অভিনয় আৰু পৰিচালনাৰ উপৰিও চলচ্চিত্ৰ জগততো নিজৰ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

বহুৱাবাৰীত ১৯৫৫-৫৬ ত 'দ্ৰোণপৰ্ব', 'অভিমন্যু বধ'(১৯৫৬-৫৭)ত 'কুমৰ হৰণ' আৰু সূত্ৰধাৰ বুদ্ধিন্দ্ৰকুমাৰ ৰাজখনিকৰ, বৰবায়ন ভূপেন গগৈ বৰুৱা আৰু গৌৰাঙ্গ ৰাজখনিকৰৰ পৰিচালনাত মূখ্য ভূমিকা গ্ৰহণ কৰিছিল তিলেশ্বৰী গগৈ, অঞ্জনা গগৈ,দিব্য গগৈ,ৰঞ্জনা বৰা,অনিলা গগৈ,পুতলী গগৈ, অঞ্জলি গগৈ আদিয়ে। এতিয়াও প্ৰত্যেক বছৰ বহুৱাবাৰীত ভাওনা অনুষ্ঠিত হয়।

বহুৰাবাৰীত মঞ্চস্থ কৰা 'শকুনিৰ প্ৰতিশোধ' নাটৰ শকুনিৰ চৰিত্ৰত বুদ্ধিন্দ্ৰকুমাৰ ৰাজখনিকৰে অভিনয় কৰি দৰ্শকক মুগ্ধ কৰাই নহয় তেওঁ দক্ষতাৰ পৰিচয়ো দিছিল আৰু এই নাটখনিকে ১৯৭০ চনত পাৰলিগুৰিত কৰা হৈছিল। ১৯৮২ চনত পহুখোৱা খেলপথাৰত 'শকুনিৰ প্ৰতিশোধ' নাট মঞ্চস্থ কৰা হয়। এই নাটত শকুনিৰ চৰিত্ৰত ৰাহুল গোহাঁই যথেষ্ট সমাদৰ পোৱাৰ উপৰিও বিভিন্ন চৰিত্ৰত নিৰ্মল বৰা,যতীন বৰা, ভদ্ৰেশ্বৰ গগৈ,শুভ গগৈ, কুকিল বৰুৱা আদিৰ অভিনয় আকৰ্ষণীয় আছিল।

পহুখোৱা প্ৰাথমিক বিদ্যালয়ত ১৯৮৭ চনত ডিচেম্বৰ মাহত 'কুশল কোঁৱৰ', 'আতামণি' আৰু ১৯৮৮ চনত ৰামেশ্বৰ কোঁৱৰৰ ৰচনা, চাৰু কোঁৱৰে নাট্যৰূপ দিয়া আৰু অজিত কোঁৱৰ আৰু নিখিল চাংমাইৰ পৰিচালনাত 'কুম্ভকৰ্ণ' নাট মঞ্চস্থ কৰে।[৪]

## ১.১ নিতাই-পানীদিহিং অঞ্চলৰ নাট্যানুষ্ঠানসমূহ :

নাট্যচৰ্চাত কেৱল নাট্যমঞ্চ সমূহেই যে সহায়ক হৈছে এনে নহয়, সমগ্ৰ অসমৰ গাঁৱে-ভূঞে থকা নামঘৰ আৰু শিক্ষানুষ্ঠান সমূহেও বিপুল অৰিহণা যোগাইছে। অসমত নামঘৰ সমূহেই আছিল নাট্যচৰ্চাৰ কঠিয়াতলি স্বৰূপ অৰ্থাৎ প্ৰথম ৰঙ্গমঞ্চ।

অতীজৰে পৰা মহাপুৰুষসকলৰ তিথি বা উৎসৱ আদিত গাঁওবিলাকত প্ৰায় ভাওনা কৰা হৈছিল। ঠায়ে ঠায়ে অৱশ্যে পৌৰাণিক বা ধৰ্মমূলক নাটক কৰা কথাও শুনিবলৈ পোৱা যায়। নিতাইপুখুৰীৰ শ্ৰীমন্ত শঙ্কৰদেৱ নামঘৰত 'বাহুকৰ মুক্তিলাভ' নামৰ ভাওনা কৰা হৈছিল। ইয়াৰ উপৰিও 'ৰুক্মিতৰ ধৰ্ম পৰীক্ষা', 'শিবিৰ ৰাজৰ ধৰ্ম পৰীক্ষা' আদি ভাওনা প্ৰদৰ্শন কৰিছিল।

নিতাইপুখুৰীৰ শ্ৰীমন্ত শঙ্কৰদেৱ নামঘৰত 'চিত্ৰাঙ্গদা','কুৰুক্ষেত্ৰ','ৰক্ষকুমাৰ', নগা-কোঁৱৰ', 'ৰজা হৰিচন্দ্ৰ' আদি নাটৰ অভিনয় হৈছিল। চিত্ৰাংগদাৰ নাটকত বব্ৰুবাহনৰ চৰিত্ৰত ৰজনীকান্ত দত্তই আৰু অৰ্জুনৰ চৰিত্ৰত লোকনাথ গোস্বামীয়ে সুন্দৰ অভিনয় কৰি ৰাইজৰ সমাদৰ লাভ কৰিছিল। ইয়াৰ বাহিৰেও 'অজাত শত্ৰু','চিৰাজ', ৰাংঢালী-ৰঙিলী,'শকুনিৰ প্ৰতিশোধ',নিখোজ, পৰিৱৰ্তন, আদি নাট অভিনয় কৰি আৰু নাটকৰ লগত বিশেষভাৱে জড়িত হৈ অনেক শিল্পীয়ে নাট্যচৰ্চা অব্যাহত ৰাখিছিল। সেইসকলৰ ভিতৰত ৰজনীকান্ত দত্ত, কনক কোঁৱৰ, ফণী দত্ত, ভোলা কোঁৱৰ, ৰমা চেতিয়া, হেম বৰা, টুনিৰাম চেতিয়া, ভোলা দত্ত, দেৱ গোহাঁই, নাৰায়ণ শৰ্মা, লোকনাথ গোস্বামী, নিত্যানন্দ শৰ্মা, হৰি শৰ্মা, জগত গগৈ, ৰত্নেশ্বৰ গগৈ, ফণী কোঁৱৰ, নৰেন লাহন, ফটিক শইকীয়া, ৰোহিনী বৰা, আদি। সাধিৰাম শইকীয়াৰ সহযোগিতা আৰু প্ৰায় বিলাক নাট ভাওনাৰ পৰিচালনাত ৰজনীকান্ত দত্তই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

নিতাইপুখুৰীৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৫০ ৰ পৰা ৬০ চন মানৰ ভিতৰত 'কুশল কোঁৱৰ', গনেশ চন্দ্ৰ গগৈৰ 'কাশ্মীৰ কুমাৰী','সতীৰ তেজ','অজাত শত্ৰু' নাট মঞ্চস্থ কৰা হৈছিল। বিশেষকৈ সৰস্বতী পূজা উপলক্ষে সেই সময়ছোৱাত এই নাট কৰা হৈছিল।[৫]

ষাঠীৰ দশকৰ মাজভাগলৈকে নিতাইপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৩খন ভাওনা প্ৰদৰ্শন হৈছিল। সাধিৰাম শইকীয়াৰ তৎপৰতা আৰু শিক্ষকসকলৰ সহযোগিতাত প্ৰথম ভাওনাখন বিদ্যা হাজৰিকাৰ নেতৃত্বত কৰা হৈছিল। ভাওনাৰ নাম 'মৈৰাবাহুৰ উপাখ্যান','কালধূমা ম্লেছৰ পৰাজয়, মুণ্ডাসুৰ বিবাহ', দ্বিতীয়খন 'ধৰ্মপালৰ বিষ্ণুযজ্ঞ' আৰু তৃতীয়খনৰ নাম 'অজনৰ দৃষ্টিদান শনিৰ প্ৰতিজ্ঞা পূৰণ জল-জঙ্গাসুৰ বধ'। বিদ্যালয়ৰ শিক্ষকসকলে পৰিচালনা কৰা আৰু নৱম, দশম শ্ৰেণীৰ ছাত্ৰসকলে অঞ্চলটোৰ ৰাইজসকলকো আকৰ্ষণ কৰিছিল। ইয়াৰে শেষৰখন নাটত হেম চেতিয়া, গোপী ফুকন, খগেন বৰা, মনোৰঞ্জন গগৈ আৰু অনেকজনে ভাৱৰীয়া আৰু শৰৎ বৰা বায়ন আছিল। সেই সময়ছোৱাত বিদ্যালয়সমূহত নিয়মীয়াকৈ একাংকিকা নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল।

## ১.২ নিতাই-পানীদিহিং অঞ্চলৰ উল্লেখযোগ্য নাট্যগোষ্ঠী আৰু নাট্যমঞ্চসমূহৰ পৰিচয় :

নাট্যচৰ্চাৰ লগত নাট্যমঞ্চ বা ৰংগমঞ্চ ওতঃপ্ৰোতভাৱে জড়িত। নাটক এখনৰ বিকাশৰ বাবে নাট্যগোষ্ঠী আৰু ৰংগমঞ্চ সমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। নিতাই-পানীদিহিং অঞ্চলটোত নাট্যচৰ্চাৰ পৰিৱেশ এটি সুস্থিৰ ৰূপত গঢ় লৈ উঠাত 'ৰূপজ্যোতি' নামেৰে ভ্ৰাম্যমাণ নাট্যদল এটা গঠন হ'ল যদিও পাঁচমাহ মানৰ ভিতৰতে দলটো ভাগিল। পৰৱৰ্তী সময়ছোৱাত ডম্বৰুধৰ নেওগ আৰু লুহিত চন্দ্ৰ শইকীয়াৰ প্ৰগতিশীল চিন্তা-চৰ্চাই নিতাইপুখুৰী অঞ্চলৰ নাট্য আন্দোলনক এটি সুন্দৰ গতি দিয়াত যথেষ্ট সহায় কৰিছিল। এনেদৰেই নিতাইপুখুৰী অঞ্চলটোত নাট্যচৰ্চাই ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় প্ৰেক্ষাগৃহত 'আকাশৰ ৰং' নাটত ৰজনীকান্ত দত্তই অমৰ চৰিত্ৰত আৰু আৰতী তামুলীয়ে মমতাৰ চৰিত্ৰত অভিনয় কৰিছিল। ১৯৭৫ চনত কলেজ, স্কুলৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত ডম্বৰুধৰ নেওগৰ ঐতিহাসিক নাট 'পৰিৱৰ্তন' মঞ্চস্থ কৰা হৈছিল। 'বাঘ' নামৰ আন এখন নাটত বাঘৰ চৰিত্ৰত অভিনয় কৰি ফটিক দত্তই দৰ্শকক যথেষ্ট আমোদ দিছিল। এই মহাবিদ্যালয়ৰ মঞ্চতে অভিনীত ডম্বৰুধৰ নেওগৰ পৰিচালনাত প্ৰফুল্ল বৰুৱাৰ 'সাঁকো' নাটৰ অভিনয় বলিষ্ঠ আৰু আকৰ্ষণীয় আছিল। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীত 'মোৰ আই' নাটক অভিনীত হৈছিল। কলেজৰ বাৰ্ষিক খেল-ধেমালিত নিয়মীয়াকৈ একাংকিকা নাটক প্ৰতিযোগিতাত পূৰ্বতে অনুষ্ঠিত কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলে পৰৱৰ্তী সময়ছোৱাতো দুই-এখন পূৰ্ণাঙ্গ নাট প্ৰদৰ্শন কৰিছে।

নিতাইপুখুৰীত বৰ্তমান যি ঠাইত 'ৰাজহুৱা ভৱন' নিৰ্মাণ কৰা হৈছে, সেই ঠাইতে 'সংস্কৃতি সংঘ' নামেৰে এটি অনুষ্ঠান আছিল আৰু ইয়েই নিতাইপুখুৰী বিশাল অঞ্চলটিৰ ৰাইজৰ সাহিত্য সংস্কৃতিৰো কেন্দ্ৰ আছিল। এই অনুষ্ঠানৰ কেইবাটাও বিভাগ আছিল,সকলো বিভাগৰ কাম কাৰ্যালয়ৰ অভাৱত সংস্কৃতি সংঘতে চলিছিল। সেয়েহে অঞ্চলটোৰ ৰাইজৰ সহযোগত গীত-মাত, নাচ-গান,

ভাওনা, থিয়েটাৰ আদি কৰাৰ কাৰ্যসূচী এই সংস্কৃতি সংঘতে আঁচনি গ্ৰহণ কৰা হৈছিল। সেই অনুপাতে এই সংঘতে সংগীত বিদ্যালয়ৰ কাম পূৰ্ণগতিত চলিছিল।'দময়ন্তী','শকুন্তলা','নিমাতি কন্যা' আৰু 'ৰজা-হৰিচন্দ্ৰ 'নৃত্য-নাটিকাৰ আখৰা চলাই থাকোতে আৰু দুখন নাটক ডম্বৰুধৰ নেওগৰ ঐতিহাসিক নাট 'পৰিৱৰ্তন' আৰু 'আকাশৰ ৰং' লৈ সঙ্গীত বিদ্যালয়ৰ সাহাযাৰ্থে নাট প্ৰদৰ্শন কৰে। পৰৱৰ্তী সময়ছোৱাত এই নাট দুখনকে লৈ শিৱসাগৰ জিলাৰ ভিতৰতে নাট প্ৰদৰ্শন কৰি ৰাইজৰ পৰা প্ৰশংসা লাভ কৰিলে। সেই সময়ছোৱাত উপদেষ্টা ৰজনীকান্ত দত্ত, নিত্যানন্দ শৰ্মা আৰু সাধিৰাম শইকীয়াই এই নাট্যদলটিক জীয়াই ৰখাৰ দায়িত্ব গোলাপ বৰগোহাঁইক অৰ্পণ কৰি নাট্যদলটিৰ 'জ্যোতিৰ্ৰূপা' নামকৰণ ৰজনীকান্ত দত্তই কৰে । প্ৰকৃতাৰ্থত ' জ্যোতিৰ্ৰূপা'ৰ জন্ম বহু কেইবছৰৰ আগৰ পৰাই হৈ আছিল।

জ্যোতিৰ্ৰূপাৰ প্ৰথম অভিনেতা-অভিনেত্ৰী তথা এই দলৰ লগত বিশেষভাৱে জড়িত ব্যক্তিসকল হ'ল - ৰজনীকান্ত দত্ত, নিত্যানন্দ শৰ্মা, সাধিৰাম শইকীয়া, ডম্বৰুধৰ নেওগ, গোলাপ বৰগোহাঁই, ইন্দ্ৰেশ্বৰ গগৈ, ৰাসাল শৰ্মা, জগত গগৈ, অপূৰ্ব দত্ত, লক্ষ্মণ চেতিয়া, বিপিন দত্ত, অজিত কোঁৱৰ, বিনন্দ দত্ত, বীৰেন চেতিয়া, তৰুণ চেতিয়া, সপোন মাধুৰী দত্ত, ইন্দ্ৰেশ্বৰ দত্ত, বীনা দত্ত, দীপা শৰ্মা, পূৰ্ণিমা গগৈ, প্ৰিয়লতা দত্ত, মামনী গোহাঁই, ডামিলী নেওগ, সন্ধ্যা গগৈ, নুমলী চেতিয়া, কুমলী গগৈ, বন্তি বেজবৰুৱা, গোপাল কৈৰী, আৰতি তামুলী বৰগোহাঁই আদি। এই শিল্পীসকলৰ উপৰিও স্থানীয় ব্যক্তিয়ে দলটিৰ সফলতাত অৰিহণা যোগাইছিল।[৮]

১৯৭৫ চনৰ পৰা গোপাল বৰগোহাঁইৰ ব্যক্তিগত প্ৰচেষ্টাত সুন্দৰ আৰু মন পৰশা হৈ উঠা 'জ্যোতিৰ্ৰূপা'ই আছিল উজনি অসমৰ একমাত্ৰ ভ্ৰাম্যমাণ নাট্যদল। নামনিৰ অন্যান্য ভ্ৰাম্যমাণ নাট্যদলৰ লগত সমানে ফেৰ মাৰিব পৰাকৈ জ্যোতিৰ্ৰূপাক সজাই তুলিবলৈ তেওঁ যৎপৰোনাস্তি চেষ্টা কৰিছিল। উন্নতমানৰ মঞ্চৰ ব্যৱস্থাৰ অভিনয় আৰু কাৰিকৰী কৌশলৰ ক্ষেত্ৰত সদা সচেতন গোলাপ বৰগোহাঁই প্ৰচেষ্টাত 'জ্যোতিৰ্ৰূপা'ই জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। প্ৰায় তেইশ বছৰ ধৰি গোলাপ বৰগোহাঁইৰ প্ৰযোজনাত 'জ্যোতিৰ্ৰূপা'ই সমগ্ৰ অসমতে নিজৰ চিনাকি দিবলৈ সক্ষম হ'ল। কিন্তু ১৯৯৯ চনত গোলাপ বৰগোহাঁইৰ মৃত্যুৰ পিছত তেওঁৰ ত্যাগ, কষ্ট আৰু সুন্দৰ মনটোৰ জলন্ত সাক্ষী জ্যোতিৰ্ৰূপাক হাতত তুলি ল'লে তেওঁৰ সহধৰ্মিনী আৰতি তামুলী বৰগোহাঁয়ে। তেওঁ জ্যোতিৰ্ৰূপাৰ জ্যোতিক অলপো ম্লান হ'বলৈ নিদি যৎপৰোনাস্তি ইয়াৰ উত্তৰণৰ চেষ্টা কৰিছিল। জ্যোতিৰ্ৰূপাই সাহিত্য-সংস্কৃতিৰ পথাৰখন আগতকৈ উৰ্বৰা কৰি নাট্যচৰ্চাত যথেষ্ট বৰঙণি যোগাইছিল। ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা জ্যোতিৰ্ৰূপা সেইসময়ত অপৰূপা হৈ জিলিকি উঠিছিল। এনেদৰেই জ্যোতিৰ্ৰূপাই ২০১১ বৰ্ষলৈকে দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। সুদীৰ্ঘ ছয়ত্ৰিশটা বছৰ জ্যোতিৰ্ৰূপাই অতিক্ৰম কৰিবলৈ সক্ষম হৈছিল।

জ্যোতিৰূপাৰ পাছতে নাট্য চিন্তা আৰু চৰ্চাক ক্ৰিয়াশীল কৰি তুলিবলৈ ১৯৭৭ চনত স্থানীয় যুৱক চাৰু কোঁৱৰৰ নেতৃত্বত গঠন হ'ল 'মঞ্চজ্যোতি' নাট্যগোষ্ঠী। মঞ্চজ্যোতিৰে মৰাণ, বিশ্বনাথ চাৰিআলি, ধেমাজি আদি ঠাইত এই গোষ্ঠীয়ে ৰাজ্যিক ভিত্তিত অনুষ্ঠিত কৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল।

মঞ্চজ্যোতিক সজাই তোলা শিল্পীসকল আছিল- চাৰু কোঁৱৰ,শৰৎ কোঁৱৰ, অনিল শইকীয়া, প্ৰমোদ কোঁৱৰ, নৰেন গগৈ, অলি আহমেদ, পৰাগ গগৈ, ৰাহুল গোহাঁই, নিৰ্মল বৰা, প্ৰমোদ গোহাঁই, চিৰঞ্জীৱ গোহাঁই, যদু গগৈ, ফটিক দত্ত, সুবোধ কোঁৱৰ, অৰুণ গোহাঁই, বুদ্ধেশ্বৰ গগৈ, পূৰ্ণানন্দ গগৈ, নিৰ্মল চেতিয়া, কেশৱ বৰা,হৰেশ সোণোৱাল, প্ৰসাদ দত্ত, হামিদুল্লা আহমেদ, শিশুলীলা কোঁৱৰ, দিপ্তী কোঁৱৰ আৰু মঞ্জু কোঁৱৰ ইত্যাদি। পৰৱৰ্তী সময়ছোৱাত এই নাট্যগোষ্ঠী নিচিহ্ন হৈ গ'লেও ই অনেক লোকৰ মনত সাঁচ বহুৱালে আৰু অনেক লোকৰ জীৱনত সাংস্কৃতিক ৰুচিবোধৰ জন্ম দিলে। কেইবছৰমান পাছত মঞ্চজ্যোতিৰ নেতৃত্ব গ্ৰহণ কৰা নাট্যকাৰ, পৰিচালক তথা অভিনেতা চাৰু কোঁৱৰ আৰু স্থানীয় যুৱক নজিৰ হুছেইনে 'আৰোহন' নামৰ এটি ভ্ৰাম্যমান নাট্যদল গঠন কৰিলে ১৯৯৮ চনত। এইদৰে চাৰিখন নাটক ক্ৰমে 'অশান্ত পথীৰ কাকলি', 'ফুলনদেৱী', 'মহাঘাটকৰ মুখা', আৰু 'বলীয়া হাতী'। উক্ত নাটক কেইখন লৈ শিৱসাগৰ জিলাৰ ভিতৰতে তিনিমাহৰ ভিতৰত এঘাৰটা প্ৰেক্ষাগৃহত নাট প্ৰদৰ্শন কৰি সেই বৰ্ষৰ বাবে নাট সামৰে ।

'আৰোহন '(১৯৯৮)ক সজাই তোলা শিল্পীসকলৰ ভিতৰত চাৰু কোঁৱৰ, প্ৰশান্ত কোঁৱৰ, বিনোদ কোঁৱৰ, জয়ন্ত লাহন, কুশল দত্ত, তপন বৰগোহাঁই, প্ৰদীপ চেতিয়া, পুলিন সন্দিকৈ, নৱ ফুকন, জগন্নাথ ৰাজখনিকৰ, তুলিকা দত্ত, সন্ধ্যাৰাণী ৰাজখনিকৰ, নাজমা বেগম,দীপা দুৱৰা, জানমণি গগৈ, মীনা দত্ত, ৰেখা পুষ্পা দত্ত, অতুল কোঁৱৰ, সঞ্জয় দত্ত, প্ৰাঞ্জল শৰ্মা, সুজিত হাজৰিকা, ভক্ত ৰাজখনিকৰ, ফনীধৰ সন্দিকৈ আদিয়ে আৰোহণক সজাই তুলিছিল আৰু শিল্পী সৃষ্টি কৰাই এই নাট্যদলটিৰ মূখ্য উদ্দেশ্য আছিল।

আৰোহন নাট্যদলটিয়ে পৰৱৰ্তী সময়ছোৱাত 'আলোড়ন' নাম ল'লে আৰু প্ৰযোজকৰ দায়িত্ব বহন কৰিলে নজিৰ হুছেইন, প্ৰশান্তজিৎ চেতিয়া আৰু অতুল কোঁৱৰে। আলোড়নৰ শিল্পী সকল হ'ল- প্ৰীতম গগৈ, ৰছিদ হাজৰিকা, দেৱজিৎ গগৈ, মানস প্ৰতীম বুঢ়াগোহাঁই, পুলিন সন্দিকৈ,পলী গগৈ, দীপা দুৱৰা, বুলি গগৈ, সঞ্জয় দত্ত, জানমণি গগৈ আদি। ফটিক লাহন আৰু সুনীল বৰা আছিল দলটিৰ প্ৰতিনিধি। প্ৰায় ছমাহমান নাট প্ৰদৰ্শন কৰিৰ পাছতে এই দলটিও ভংগ হ'ল।

১৯৯৯ চনত নিতাইপুখুৰীত 'জঙ্গম' নাট্যগোষ্ঠী নামেৰে এটা অনুষ্ঠান গঠন কৰা হৈছিল।' সভাপতি ৰাজেন দত্ত আৰু সম্পাদক তপন বৰগোহাঁইৰ নেতৃত্বত প্ৰায় দহখনৰো অধিক একাংকিকা নাট ঠায়ে ঠায়ে কৰা হৈছিল। মহেন্দ্ৰ বৰঠাকুৰৰ 'মোৰ আই' নাটখনি বিষ্ণু ৰাভা দিৱসত ন-হাটৰ স্থানীয় ৰাইজৰ সহযোগত আৰু 'টেটোন তামুলী' ধেমেচীৰ ৰাইজৰ সহযোগত 'জঙ্গম' নাট্যগোষ্ঠীয়ে

নাট মঞ্চস্থ কৰিছিল। জঙ্গম নাট্যগোষ্ঠীৰ শিল্পীসকল হ'ল- তপন বৰগোহাঁই, ৰাজেন দত্ত, দীপক দত্ত, জয়ন্ত লাহন, অনুপ বৰঠাকুৰ, নৱ ফুকন, তুলিকা দত্ত, শৈলেন দত্ত, দিব্য কোঁৱৰ, মুকুট গগৈ, দেৱব্ৰত গগৈ, দেৱ দিহিঙীয়া আদি।

ৰজাবাৰীৰ জামিৰা গাঁৱত 'সেউজী কলা সংঘ' গঢ় লৈ উঠিছিল।[৮] অৰূপ সোণোৱালকে প্ৰমুখ্য কৰি সাহিত্যানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত গঢ় লোৱা এই সংঘৰ উদ্যোগত কেইবা বছৰো নাট প্ৰদৰ্শন হৈছিল। পৰৱৰ্তী সময়ত ১৯৯৯ চনত সভাপতি গোলাপ মিলি আৰু সম্পাদক লুহিত পাংগিঙৰ নেতৃত্বত 'প্ৰতিশ্ৰুতি' নাট্যগোষ্ঠী গঠন হয় । লক্ষ্যধৰ টায়ে আৰু লুহিত পাংগিঙে নাট ৰচনা কৰি অভিনয় কৰোৱাই যুৱক-যুৱতী সকলক প্ৰেৰণা যোগাইছিল। তদুপৰি ১৯৯২ চন মানতে ৰজাবাৰীত ৰামেশ্বৰ কোঁৱৰৰ পূৰ্ণাংগ নাট 'যুগস্ৰষ্টা শংকৰদেৱ' অভিনীত হৈছিল, ষাঠিৰ দশকত সাধন চুকত মঞ্চস্থ কৰা হৈছিল অভয় ডেকাৰ 'বঞ্চিতা'নাট ।

পৰৱৰ্তীসময়ত নিতাই নাওজান কোঁৱৰ গাঁৱত চাৰু কোঁৱৰৰ নেতৃত্বত গঠন হোৱা 'প্ৰগতিশীল যুৱ সংঘ'ই 'সাঁকো', 'কুশল কোঁৱৰ' আৰু ৰামেশ্বৰ কোঁৱৰৰ 'সত্যাগ্ৰহী জয়মতী' নাটক কৰাৰ উপৰিও কোঁৱৰ গাঁৱৰ পৰা গৈ আমগুৰি আৰু গড়গাঁৱত চেৰেটি শ্ব' কৰিছিল।[৯]

বাপুতিগড়ত অতীজৰে পৰা ভাওনাৰ প্ৰভাৱ অধিক হ'লেও 'অখিল নামা' আৰু এখন পূৰ্ণাংগ নাট অভিনয় হোৱা কথা জনা যায়। ন-হাটৰ মহেন্দ্ৰ বৰঠাকুৰৰ 'পূজাৰ ফুল', গোহাঁই গাঁৱত 'পূজাৰ ফুল', নাওপৰাত 'মূখ্যমন্ত্ৰী', নেমুকুৰত ১৯৯৩ চন মানতে 'পূজাৰ ফুল' আৰু ১৯৯৪ চনত বিষ্ণু ৰাভা দিৱসত 'আমি স্বপ্নাতুৰ',দিহিংমুখত ৰামেশ্বৰ কোঁৱৰৰ 'বিপ্লৱী নিশা' আৰু পাৰলিগুৰিত 'যুৱ সংঘ'ই চাৰু কোঁৱৰৰ পূৰ্ণাংগ নাট 'ৰামৰাজ্য' মঞ্চস্থ কৰিছিল।

উল্লেখযোগ্য যে নাট্যাভিনয় চৰ্চাৰ পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰি ১৯৩০-৩২ চন মানতে নটসূৰ্য ফণী শৰ্মাই দিহিঙ্গীয়া গাঁৱলৈ আহিছিল আৰু তেতিয়াৰ পৰাই ষাঠি দশকৰ শেষলৈ দিহিঙ্গীয়া গাঁৱত নাট্যচৰ্চা অব্যাহত থাকে। ত্ৰিশ খনৰো অধিক নাট নামঘৰ আৰু পথাৰত নিৰ্মিত অস্থায়ী মঞ্চত অভিনয় কৰা হৈছিল। কালিৰাম বৰা, দেবেন হাজৰিকা, বদন গগৈ, নন্দী শইকীয়া, লোকনাথ বৰুৱা, জিতাই হাজৰিকা আদি বহুজনে বিয়াঘৰ বিলাকত নাটক কৰা শুনা যায় আৰু এই পৰম্পৰা পাছতো বহু বছৰলৈ চলিছিল।

নাটৰ প্ৰতি দুৰ্বলতাৰ বাবেই হওক বা ভাষা-সাহিত্য-সংস্কৃতি চৰ্চাৰ বাবেই হওক অতি পুৰণি দিনৰ পৰা এইবোৰৰ চৰ্চা চলি আহিছে। অঞ্চলটোৰ প্ৰায়বিলাক গাঁৱতে নাট-ভাওনা আদি অনুষ্ঠিত হৈছিল। নিতাইপুখুৰীৰ দিহিঙ্গীয়া গাঁৱত কালিৰাম বৰাৰ নেতৃত্বত 'ৰাম বিজয়' নাট মঞ্চস্থ কৰি ৰামৰ চৰিত্ৰত কালিৰাম বৰা, বালিৰ চৰিত্ৰত দিপেশ্বৰ বৰুৱা আৰু সুগ্ৰীৱৰ চৰিত্ৰত, পোৱাল ফুকনে অভিনয় কৰা কথা শুনিবলৈ পোৱা যায়। দিহিঙীয়া গাঁৱত 'লাচিত নাট্যসংঘ' আৰু 'তৰুণ' নাট্যসংঘ' জন্ম হৈছিল।

পৰৱৰ্তীসময়ত ২০০৪ চনত নিতাইপুখুৰীত নাটকৰ কৰ্মশালা অনুষ্ঠিত কৰি যুৱক-যুৱতীসকলক নাট্য শিক্ষা দিয়া হয়।এই অঞ্চলৰে উদীয়মান যুৱতী মিনাক্ষী দত্তই সম্প্ৰতি ভ্ৰাম্যমাণ তথা দূৰদৰ্শনত নাটকৰ অভিনয় কৰি নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছে।[১০] নিতাইপুখুৰীত গঢ় লৈ উঠা নাট্যানুষ্ঠান বিলাকৰ পৰাই তেওঁ অনুপ্ৰাণিত। নিতাইপুখুৰীৰ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হোৱা আন দুগৰাকী নাট্যকৰ্মী হ'ল পাকিজা

বেগম আৰু অনুপ হাজৰিকা। তেওঁলোক ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত নাটক আৰু কথাছবিত অভিনয় কৰিছে। বিশেষকৈ হোমেন বৰগোহাঞিৰ 'মৎস্যগন্ধা'ৰ নাট্যৰূপ তেওঁলোকৰ সাৰ্থক নাট্যকৰ্ম।

গতিকে দেখা গ'ল নিতাই-পানীদিহিং প্ৰায় ঠাইতে ত্ৰিশৰ দশকৰ পৰা বৰ্তমানলৈকে নাট্যচৰ্চা চলি আছে। নিয়মীয়া অনুশীলন হ'লে এই অঞ্চলৰ যুৱক-যুৱতীসকলে অদূৰ ভৱিষ্যতে নাট্য চৰ্চাৰ দিশত আগুৱাই যাবলৈ সক্ষম হ'ব বুলি ক'ব পাৰি।এই অঞ্চলৰ অনেক প্ৰতিশ্ৰুতি সম্পন্ন যুৱক-যুৱতীৰ প্ৰচেষ্টাত বিভিন্ন নাটক বৰ্তমানেও মঞ্চস্থ হৈছে।

## ১.৩ নিতাই-পানীদিহিং অঞ্চলৰ নাটক আৰু নাট্যকাৰসকলৰ অৱদান :

নিতাই-পানীদিহিং অঞ্চলত প্ৰথম অৱস্থাত পৌৰাণিক নাটক আৰু অংকীয়া নাটৰ প্ৰচলন আছিল। পৰৱৰ্তী সময়ছোৱাত পানীদিহিং অঞ্চলৰ বহুৱাবাৰী নিবাসী ভূপেন গগৈয়ে নিজা প্ৰচেষ্টাত কেইবাখনো নাট লিখি পৰিচালনা কৰাৰ উপৰিও অভিনয় কৰিছিল। তেখেতৰ নাটসমূহৰ ভিতৰত 'অৰ্জুনৰ লক্ষ্যভেদ','দ্ৰৌপদীৰ স্বয়ম্বৰ','বিৰাট পৰ্ব', 'কৰ্ণ পৰ্ব','ৰামবিজয়', প্ৰভাস তীৰ্থ আদিয়েই প্ৰধান। ধেমেচীৰ নিবাসী বিদ্যা হাজৰিকাই কেইবাখনি মূল্যবান নাটক ৰচনা কৰিছিল।

নিতাইপুখুৰীৰ অন্য এজন নাট্যকাৰ হ'ল ৰামেশ্বৰ কোঁৱৰ । তেওঁ ৰচনা কৰা নাটসমূহ হ'ল 'সত্যাগ্ৰহী জয়মতী', 'মূলাগাভৰু','ৰজা-হৰিচন্দ্ৰ','বিপ্লৱী নিশা'(শ্বহীদ কুশল কোঁৱৰৰ জীৱনী), নিয়তিৰ পৰাজয় (পটভূমি কাৰ্গিল), আলেকজেণ্ডাৰ, যুগস্ৰষ্টা শংকৰদেৱ,কংস নিধন, কনকচম্পা (জ্যোতিৰূপাত অভিনীত)। তেওঁৰ ৰচিত একাংকিকা নাট সমূহ হ'ল- ভক্ত প্ৰহ্লাদ, দ্ৰৌপদীৰ বস্ত্ৰ হৰণ, লাচিত বৰফুকন আদি।

নিতাইপুখুৰীৰ অঞ্চলৰ দোপনী গাঁৱৰ নিবাসী পোৱাল চন্দ্ৰ চাংমাইও এজন নাট্যস্ৰষ্টা, যুগজয়ী তাজমহলৰ পটভূমি ৰচিত 'অমৰপ্ৰেম'(সংগীত বিদ্যালয়ৰ নাট বিভাগৰ অভিনীত) এখন কালজয়ী নাটক। তেওঁৰ ৰচিত অপ্ৰকাশিত নাটকসমূহ- 'অভিশপ্ত অহল্যা', ভৌতিক নাট 'ভূতৰ বিচাৰ', চাহবাগিচাৰ পটভূমিত ৰচিত 'ঝুমুৰৰ এটি নিশা','ঐ মিনি তোকে পুছলো' ইত্যাদি ।

সতী জয়মতীৰ জীৱন কাহিনীৰ ভিত্তিত ৰচনা কৰা অন্য এজন নিতাইপুখুৰীৰ নাট্যকাৰ হ'ল হৰেশ চন্দ্ৰ শৰ্মা।

নিতাইপুখুৰীৰ কোঁৱৰ গাঁৱৰ অন্যতম এজন অভিনেতা, নাট্যকাৰ, গীতিকাৰ তথা নাট পৰিচালক হ'ল চাৰু কোঁৱৰ। তেওঁৰ ৰচিত একাংকিকা নাটসমূহ হ'ল- হত্যা আৰু হৃদয় (১৯৭২), পথভ্ৰষ্টা (১৯৭৫), নায়ক (১৯৭৭), বৈকুণ্ঠ (১৯৭৯), সংকেত (২০০২),যৌতুক(২০১১) ইত্যাদি।

পূৰ্ণাংগ নাটক সমূহ হ'ল- ৰামৰাজ্য(১৯৮০), অশান্ত পক্ষীৰ কাকলি (১৯৮৯), চাবুক (১৯৯১),গড়গাঁৱৰ চকুলো (২০০৬), মহাঘাটকৰ মুখা (১৯৯৮), দোকান ঘৰ (২০০১), সৌকা (২০০৪), কুকুৰ (২০০৬), হিয়াৰ থাপনাত তেজৰ চকুলো (২০১০-২০১৮) ইত্যাদি। প্ৰায়বোৰ নাটক

আৰু একাংকিকা ভ্ৰাম্যমাণ থিয়েটাৰ ভাস্কৰ, উদ্দীপনা, উপাসনা, প্ৰতিধ্বনি, সমন্বয়, জোনাক আদিত অভিনীত হৈছে।

বৰ্তমান সময়ত সামাজিক নাটকৰ প্ৰাধান্য বৃদ্ধি পাইছে। একোখন সামাজিক নাটকে এখন সমাজৰ সকলোখিনি দিশ প্ৰতিফলিত কৰে।

বৰ্তমান নাটকবোৰ মূলতঃ সামাজিক সমস্যা, বৰ্তমান সমাজৰ পটভূমি, অৱস্থা আৰু পৰিৱেশৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হৈছে। নিতাই-পানীদিহিং অঞ্চলৰ নাট্যকাৰসকলে এই ক্ষেত্ৰত যথেষ্ট অৰিহণা আগবঢ়াইছে। দেখা গৈছে লেখকসকলে অশেষ কষ্ট স্বীকাৰ কৰি বৰ্তমান সমাজৰ জ্বলন্ত সমস্যাসমূহ তেওঁলোকৰ নাটকত উপস্থাপন কৰিছে।

## ১.৪ নিতাই-পুখুৰী লেখিকা সংস্থা :

সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ নিতাই-পানীদিহিং অঞ্চলৰ মহিলাসকলৰ অৱদানো অতি গুৰুত্বপূৰ্ণ। নিতাই-পানীদিহিং অঞ্চলৰ ৰাইজৰ উত্তৰণ আৰু সাহিত্য-সংস্কৃতি চৰ্চাৰ দিশত শাখা সাহিত্য সভাই বলিষ্ঠ ভূমিকা পালন কৰিছে।

নিতাইপুখুৰী শাখা সাহিত্য সভাই চৰ্চা, প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নিতাই-পানীদিহিং অঞ্চলৰ বিভিন্ন গাঁৱত বিভিন্ন বিষয় লৈ আলোচনাচক্ৰ, সভা-সমিতি অনুষ্ঠিত কৰি আহিছে। এই অনুষ্ঠানসমূহত মহিলাসকলেও অগ্ৰণী ভূমিকা পালন কৰিছে। নিতাইপুখুৰী শাখা লেখিকা সংস্থাক সবল কৰি তোলা মহিলাসকলৰ ভিতৰত কুঞ্জ গগৈ, লিলি হাজৰিকা, অৰুন্ধতী দিহিঙীয়া বৰুৱা, দিব্য গগৈ, গুণপ্ৰভা দিহিঙীয়া, বিজু বৰঠাকুৰ, বিশ্বৰূপা কোঁৱৰ, দীপালি ফুকন,বিনু ফুকন, কল্যাণী বড়া, ৰঞ্জু চেতিয়া, জ্যোতি চেতিয়া, অঞ্জুমণি ফুলকোঁৱৰ, প্ৰীতিলতা সোণোৱাল, জ্যোতিকা দেউৰী, পূণ্য বৰা, মঞ্জু কোঁৱৰ আদি।

নিতাইপুখুৰী শাখা লেখিকা সংস্থাই ২০০৯ চনত নিতাইপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এখন পূৰ্ণাংগ নাট আৰু নিতাইপুখুৰী বাছ আস্থানত কেৱল মহিলাৰ দ্বাৰা অভিনীত একাংকিকা নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। নিতাই-পানীদিহিঙৰ অনেক অভিনেত্ৰীৰ চমকপ্ৰদ অভিনয়ে ৰাইজক মুগ্ধ কৰাৰ লগতে অঞ্চলটোলৈ অনেক সম্ভাৱনা কঢ়িয়াই আনে। পানীদিহিঙৰ কটিয়ৰীত মিতালী দেউৰী, বৰষা দেউৰী, শিখামণি দেউৰী, ধৰিত্ৰী দেউৰী আদিয়ে আলোড়ন সৃষ্টি কৰিছিল।

লেখিকা সংস্থাৰ উদ্যোগত মহিলাৰ দ্বাৰা অভিনীত 'দক্ষযজ্ঞ' ভাওনা, ফণী শৰ্মাৰ 'চিৰাজ', ৰামেশ্বৰ কোঁৱৰৰ 'সত্যাগ্ৰহী জয়মতী' শীৰ্ষক নাটকৰ সফল মঞ্চায়ন কৰা হৈছে লগতে গৃহিনীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ মাধ্যমৰূপত লেখিকা সংস্থাৰ ক্ষেত্ৰখন উজ্বলি উঠিছে।

Sivasagar

## ১.৫ সামাজিক মাধ্যমত প্ৰচাৰিত নাটক :

বৰ্তমান সময়ত সামাজিক মাধ্যমৰ ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি পাইছে। নিতাই-পানীদিহিং অঞ্চলৰ সমাজেও সামাজিক মাধ্যম বিশেষকৈ ফেচবুক(Facebook), ইউটিউব(YouTube)ৰ ডিজিটেল মঞ্চক আঁকোৱালি লৈছে। সাম্প্ৰতিক সময়ত অন্যান্য বিষয়ৰ লগতে নাটক প্ৰদৰ্শনৰ সহজ মঞ্চ হিচাপে উক্ত প্লেটফৰ্ম সমূহৰ চাহিদা বাঢ়িছে। অতীজতে নিতাই-পানীদিহিং অঞ্চলত বিয়াঘৰ সমূহত সমজুৱাভাৱে কৰা অভিনয়ে বৰ্তমানে 'নিতাই D.G Drama Group', বহুকেইটা YouTube চেনেলৰ যোগে প্ৰচাৰিত হৈ আছে আৰু দৰ্শক বা নেটিজেনৰ সমাদৰো লাভ কৰিছে। সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমৰ যোগেদি প্ৰচাৰিত নাটকসমূহ হ'ল- ধনী হোৱা,বলিয়া মন, প্ৰেতাত্মা, শাওনৰ পথাৰ, ভাইৰাছ, ৰামচন্দ্ৰ আহিছে ইত্যাদি। সামাজিক মাধ্যমত বহুলভাৱে চৰ্চিত হোৱা নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ লগত বিশেষভাৱে জড়িত ব্যক্তিসকল হ'ল ৰাতুল গগৈ, পলাশজ্যোতি দত্ত, প্ৰণৱ কলিতা ইত্যাদি।

## ২.০ নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ :

এখন নাটক বা এটা নাট্যগোষ্ঠী নিয়াৰিকৈ পৰিচালনা কৰিবলৈ হ'লে বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হয়। নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যা তথা প্ৰত্যাহ্বানসমূহৰ বিষয়ে তলত আলোচনা আগবঢ়োৱা হ'ল-

১. নাট্য শিল্পী আৰু নাট প্ৰশিক্ষণৰ অভাৱ :

নিতাই-পানীদিহিং অঞ্চলৰ এটা প্ৰধান সমস্যা হ'ল - নাট্যশিল্পীৰ অভাৱ। ভাল নাট্যশিল্পী হিচাপে প্ৰতিষ্ঠিত হোৱাটো যথেষ্ট কঠিন। তথা নাটকৰ বিদ্যায়তনিক জ্ঞান নথকাৰ বাবে নাটকৰ অভিনয় কৰাত সমস্যাৰ সৃষ্টি হয়। তদুপৰি যোৱা দশকৰ পৰা টেলিভিছনত ছিৰিয়েল আৰু ভিচিডিৰ ব্যৱসায়ে নাট ব্যৱসায়ে নাটকৰ শিল্পীসকলক আকৰ্ষণ কৰি সেইদিশলৈ আগ্ৰহী কৰি তুলিছে, যাৰ ফলত বহু নাট্যগোষ্ঠীয়ে নাট্যশিল্পীৰ অভাৱত নাট প্ৰদৰ্শন বন্ধ কৰিবলৈ বাধ্য হৈছে ।

২. আৰ্থিক দিশ :

নাটক এখন পৰিৱেশন কৰিবৰ বাবে প্ৰয়োজনীয় হোৱা অন্য এটা দিশ হৈছে অৰ্থ। সাম্প্ৰতিক সময়ত মূল্যবৃদ্ধিয়ে প্ৰত্যেকজন ব্যক্তিক জুৰুলা কৰিছে। তেনে প্ৰেক্ষাপটত অভিনয় কৰি জীৱিকা অৰ্জন কৰাতো এজন নাট্যকৰ্মীৰ বাবে সহজ নহয়, অৱশ্যে বৰ্তমান ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়, ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়, সংগীত নাটক একাডেমী, বিভিন্ন বহুজাতিক কোম্পানী আদিয়ে অৰ্থ সাহায্য ব্যৱস্থা কৰিছে যদিও সেয়া পৰ্যাপ্ত নহয় বা এনে সুবিধাবোৰ ইতিমধ্যে সুপ্ৰতিষ্ঠিত নাট্যকৰ্মীসকলেহে লাভ কৰে। ইয়াৰ ফলত সাধাৰণ শ্ৰেণীৰ নাট্যকৰ্মীসকলে এই সুবিধাৰ পৰা বঞ্চিত হৈছে।

৩.ৰাজনৈতিক অস্থিৰতা :

বিংশ শতিকাৰ নব্বৈৰ দশকত অসমত হোৱা আলফাৰ বিদ্ৰোহ। সেই বিদ্ৰোহ দমনৰ কাৰণে চৰকাৰে গ্ৰহণ কৰা সামৰিক নীতিয়ে নাট্যচৰ্চাত যথেষ্ট প্ৰভাৱ পেলালে।

৪. নতুন প্ৰজন্ম নাটকৰ প্ৰতি অনিহা :

বৰ্তমান সময়ত নাটক কৰিবলৈ, শিকিবলৈ নৱপ্ৰজন্ম আগ্ৰহী হোৱা দেখিবলৈ পোৱাটো নূন্যতম। নতুন প্ৰজন্ম বিশেষভাৱে ইন্টাৰনেটৰ পৃথিৱীখনলৈ ধাবিত হৈছে। যাৰ ফলত নাটকৰ প্ৰতি গুৰুত্ব কমি যোৱা দেখা যায়।

৫. দৰ্শকৰ অভাৱ :

যিহেতু বৰ্তমান বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুগ। গতিকে দৰ্শকে নাটক চাবলৈ যোৱাৰ বিপৰীতে ঘৰতে বহি টি.ভি, মোবাইল ফোন ইত্যাদি মনোৰঞ্জনৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে ।

৬. কভিড পৰিস্থিতি :

মহামাৰী কভিডে সমগ্ৰ দেশকেই জুৰুলা কৰি পেলাইছিল। নিতাই-পানীদিহিং অঞ্চলৰ নাটকৰ ক্ষেত্ৰখনত কভিডৰ ফলতে বহুতো নাট্যগোষ্ঠী, নাট্যমঞ্চৰ কাম স্থবিৰ হৈ পৰিছে। বৰ্তমানেও আগৰ পৰিৱেশলৈ অহা নাই। গতিকে ইয়ো নাটকৰ প্ৰত্যাহ্বান ৰূপে থিয় দিছে ।

৭. বিজ্ঞানসন্মত মঞ্চ আৰু প্ৰেক্ষাগৃহৰ অভাৱ :

নিতাই-পানীদিহিং অঞ্চলটোত বহু ঠাইত স্থায়ী মঞ্চ আৰু বহু ঠাইত অস্থায়ী মঞ্চ নিৰ্মাণ কৰা দেখা যায় যদিও বিজ্ঞানসন্মত মঞ্চৰ অভাৱ দেখা যায়।

নিজাকৈ আখৰা কৰিবৰ বাবে এটা নিৰ্দিষ্ট আখৰা ঘৰৰ ব্যৱস্থা নথকাৰ বাবে স্কুল,সংঘ আদি বিভিন্ন ঠাইত আখৰা কৰিব লগা হয়,যিটো প্ৰত্যেক দিনাই কৰা সহজ নহয়। সেই ক্ষেত্ৰতো সমস্যা আহি পৰে।

ইয়াৰ উপৰিও নাট্যচৰ্চাৰ ক্ষেত্ৰত ক'বলৈ গ'লে নাটক মঞ্চস্থ কৰাটোৱেই এটা প্ৰত্যাহ্বান বুলি ক'ব পাৰি। নাটক এখন মঞ্চস্থ কৰাৰ ক্ষেত্ৰত বহু প্ৰযোজক, পৰিচালক, নাট্যকাৰে নিজৰ অৰ্থ খৰচ কৰি নাটক এখন মঞ্চস্থ কৰে আৰু সেই অৰ্থ কেৱল দৰ্শকৰ মূল্যৰ পৰা সংগ্ৰহ বা ওভতাই অনা সম্ভৱ নহয়।

এনেদৰেই নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ ক্ষেত্ৰত বিভিন্ন প্ৰত্যাহ্বান আৰু সীমাবদ্ধতা আছে যদিও এইবোৰৰ মাজতো কিন্তু নাট্যচৰ্চাৰ পথ স্তব্ধ হৈ পৰা নাই। বৰঞ্চ প্ৰতিকূল পৰিৱেশৰ মাজতো নাট্যকৰ্মী আৰু নাট্যগোষ্ঠী সমূহে অতি সচেতনভাৱে চৰ্চা কৰি আহিছে।

Head of the Department
M. C. D. College
Nitaipukhuri, Sivasagar

## ৩.০ সিদ্ধান্ত :

যিহেতু নিতাই-পানীদিহিং শিৱসাগৰ জিলাৰ এক প্ৰান্তীয় অঞ্চল। বিংশ শতিকাৰ ত্ৰিশৰ দশকৰ পৰা বৰ্তমান সময়লৈকে বহু নামী আৰু অনামী শিল্পীয়ে নাট্যচৰ্চাত অৰিহণা আগবঢ়াইছে। তেওঁলোকৰ প্ৰতিভা বা শিল্পচৰ্চা হয়তো অনুষ্ঠানৰ মুখপত্ৰ, সমসাময়িক লোকসকলৰ মাজতে সীমাবদ্ধ হৈ আছে। বহুজনৰ হয়তো পৰিচয়ো পাবলৈ নাই। এই অধ্যয়নে নিতাই-পানীদিহিং অঞ্চলৰ অখ্যাত শিল্পীসকলৰ শিল্পচৰ্চাৰ মান্যতা প্ৰদান কৰিবলৈ সক্ষম হৈছে। লগতে পৰৱৰ্তী গৱেষক, পাঠকসকলক অধ্যয়নৰ পথ দেখুৱাব।

১. নাট্য চৰ্চাৰ ইতিহাস অধ্যয়ন কৰিবলৈ যাওঁতে এক প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে সেয়া হ'ল বিংশ শতিকাৰ প্ৰথম দশক কেইটাৰ নাট্যচৰ্চাৰ সৈতে জড়িত পৰিচালক, অভিনেতা-অভিনেত্ৰী সকলৰ ইতিমধ্যে মৃত্যু ঘটিছে। ফলত প্ৰত্যক্ষ ৰূপত তথ্য আহৰণত অসুবিধাৰ সৃষ্টি হৈছে।

২. নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ ইতিহাস অধ্যয়নৰ ক্ষেত্ৰত সন্মুখীন হোৱা এটা প্ৰধান সমস্যা হ'ল- তথ্য সংৰক্ষণৰ অভাৱ। নাট্যকৰ্মীসকলে ৰচনা আৰু পৰিচালনা কৰাৰ নাটকৰ তথ্যসমূহ সংৰক্ষণ কৰাৰ প্ৰতি আওকাণ কৰে। তথা নাটকৰ পাণ্ডুলিপিৰ সংৰক্ষণ আৰু প্ৰকাশ কৰাৰ গুৰুত্ব দিয়া দেখা নাযায়। সাধাৰণতে নাটকৰ পাণ্ডুলিপি সমূহ লিখা অৱস্থাতে পৰিৱেশন কৰা হয়। সেইবাবে নাটকসমূহে ছপাৰ মুখ নেদেখে। বহু সময়ত এনে নাটকসমূহ প্ৰকৃত সংৰক্ষণৰ অভাৱৰ বাবে নষ্ট হৈ আমাৰ মাজৰ পৰা হেৰাই যায়।

৩. অস্থায়ী ৰংগমঞ্চত বিংশ শতিকাৰ ত্ৰিশৰ দশকৰ পৰা নাটক মঞ্চস্থ হৈছিল। বিশেষকৈ স্থান আছিল নিতাইপুখুৰীৰ পাৰ। ১৯৭৬ চনত স্থায়ী ৰংগমঞ্চ 'নিতাইপুখুৰী নাট্য মন্দিৰ' স্থাপন হৈছিল। পৰৱৰ্তী সময়ছোৱাত ১৯৯৯ চনৰ পৰা 'প্ৰগতিশীল যুৱ সংঘ' নাট্যচৰ্চাৰ কেন্দ্ৰ হৈ পৰিছিল।

৪. প্ৰথমাৱস্থাত পৌৰাণিক নাট মঞ্চস্থ হৈছিল। অতুল চন্দ্ৰ হাজৰিকাৰ নাটক সংঘালনিকৈ মঞ্চস্থ কৰা হৈছিল।

৫. ফণী শৰ্মা আৰু অতুল চন্দ্ৰ হাজৰিকাৰ প্ৰত্যক্ষ সহযোগত নিতাই-পানীদিহিঙৰ নাট্যচৰ্চা সমৃদ্ধ হৈছিল।

৬.বলিষ্ঠ তথ্য নাপালেও নিতাইপুখুৰীৰ প্ৰথম নাট্যগোষ্ঠী হিচাপে 'ৰূপজ্যোতি'ৰ নাম ল'বই লাগিব।

৭.১৯৭৫ চনত গোলাপ বৰগোহাঁইৰ ব্যক্তিগত প্ৰচেষ্টাত ভ্ৰাম্যমাণ নাট্যগোষ্ঠী 'জ্যোতিৰূপা'ৰ জন্মই নিতাই-পানীদিহিঙৰ নাট্যচৰ্চাক সবল আৰু ব্যাপক কৰি তুলিলে। পৰৱৰ্তী সময়ত আৰতি তামুলী বৰগোহাঁইৰ প্ৰচেষ্টাত ২০১১ চনলৈকে সুদীৰ্ঘ ৩৬ বছৰ ধৰি এই ভ্ৰাম্যমান নাট্যদলটোৱে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। জ্যোতিৰূপাই আছিল উজনি অসমৰ প্ৰথমটো ভ্ৰাম্যমান নাট্যদল। জ্যোতিৰূপাৰ থিয়েটাৰৰ প্ৰযোজক পৰিচালক আৰতি তামুলী বৰগোহাঁই প্ৰথম অসমীয়া মহিলা ভ্ৰাম্যমাণ নাট পৰিচালিকা।

৮. ১৯৭৭ চনত এই অঞ্চলৰ পৰাই নাট্যকাৰ, অভিনেতা চাৰু কোঁৱৰৰ নেতৃত্বত 'মঞ্চজ্যোতি' নাট্যগোষ্ঠীৰ জন্ম হৈছিল যদিও এই নাট্যদলৰ নাট্যচৰ্চা দুবছৰীয়াহে আছিল।

৯. ১৯৯৮ চনত আৰোহন নামৰ এটি ভ্ৰাম্যমান নাট্যদল গঠন হৈছিল। এই দলে দৰ্শকৰ ব্যাপক জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল।

১০. ১৯৯৯ চনত জঙ্গম নামেৰে আন এটা নাট্যগোষ্ঠী গঠন হৈছিল। প্ৰায় দহখনৰো অধিক একাংকিকা নাট এই নাট্যগোষ্ঠীয়ে মঞ্চস্থ কৰিছিল।

১১. পৰৱৰ্তী সময়ছোৱাত ২০০৪ চনত নিতাইপুখুৰীত নাট্য কৰ্মশালা অনুষ্ঠিত হৈছিল। এই অঞ্চলৰে উদীয়মান যুৱতী মিনাক্ষী দত্তই সম্প্ৰতি ভ্ৰাম্যমাণ তথা দূৰদৰ্শনত নাটকৰ অভিনয় কৰি পাৰদৰ্শিতা অৰ্জন কৰিছে। ইয়াৰ উপৰিও এই অঞ্চলৰে আন দুগৰাকী নাট্যকৰ্মী হ'ল পাকিজা বেগম আৰু অনুপ হাজৰিকা। তেওঁলোকে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত নাটক আৰু কথাছবিত অভিনয় কৰিছে। বিশেষকৈ হোমেন বৰগোহাঞিৰ 'মৎস্যগন্ধা'ৰ নাট্যৰূপ তেওঁলোকৰ সাৰ্থক নাট্যকৰ্ম।

১২.যিহেতু সময়ত সামাজিক মাধ্যমৰ ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি পাইছে। নিতাই-পানীদিহিং অঞ্চলো ব্যতিক্ৰম নহয়। বিশেষকৈ ফেচবুক, ইউটিউব ইত্যাদি ডিজিটেল মাধ্যমসমূহৰ জৰিয়তে সাম্প্ৰতিক সময়ত অন্যান্য বিষয়ৰ লগতে নাটক প্ৰদৰ্শনৰ সহজ মঞ্চ হিচাপে উক্ত প্লেটফৰ্ম সমূহৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে।

গতিকে দেখা গ'ল নিতাই-পানীদিহিং অঞ্চলৰ প্ৰায় ঠাইতে ত্ৰিশৰ দশকৰ পৰা বৰ্তমানলৈকে নাট্যচৰ্চা চলি আছে। নিয়মীয়া অনুশীলন হ'লে এই অঞ্চলৰ যুৱক-যুৱতীসকলে অদূৰ ভৱিষ্যতে নাট্যচৰ্চাৰ দিশত আগুৱাই যাবলৈ সক্ষম হ'ব বুলি ক'ব পাৰি।এই অঞ্চলৰ অনেক প্ৰতিশ্ৰুতি সম্পন্ন যুৱক-যুৱতীৰ প্ৰচেষ্টাত বিভিন্ন নাটক বৰ্তমানেও মঞ্চস্থ হৈছে।

## ৪.০ উপসংহাৰ :

বিংশ শতিকাৰ ত্ৰিশৰ দশকৰ পৰা আৰম্ভ হোৱা নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ ধাৰা বৰ্তমানলৈকে অব্যাহত হৈ আছে। অৱশ্যে মঞ্চায়ন হোৱা নাটকসমূহৰ মাজত বিষয়বস্তু আৰু আংগিকৰ পৰিৱৰ্তন আহিছে। নাটক এখন সফল হোৱাৰ ক্ষেত্ৰত পৰিৱেশনগত দিশৰ লগত জড়িত বিভিন্ন দিশ যেনে মঞ্চ, দৃশ্য সজ্জা,আৱহ সংগীত, ৰূপসজ্জা আদি। আংগিকৰ আন্তঃগাথঁনিগত পৰিৱৰ্তনে নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ ক্ষেত্ৰক নতুন মাত্ৰা প্ৰদান কৰিছে। উল্লেখযোগ্য যে অতীজতে বিয়া ঘৰসমূহত মঞ্চ নাটকৰ উপৰিও সামাজিক মাধ্যমৰ দ্বাৰা চিত্ৰায়িত বিভিন্ন আধুনিক ধাৰাত নাটক ৰচিত হৈছে। ইয়াৰ উপৰিও নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ ক্ষেত্ৰখনত একাংকিকা নাটক, শিশু নাটক, সামাজিক নাটক,বাটৰ নাটক আদি ৰচনা আৰু পৰিৱেশন হৈছে। সাম্প্ৰতিক সময়ত নিতাই-পানীদিহিং অঞ্চল নাট্যচৰ্চাৰ ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ অধিকৰূপত দেখিবলৈ পোৱা যায়। ই সমাজৰ বাবে শুভকাৰক।

**প্ৰসংগ সূত্ৰ ঃ**

১.শিৱৰঞ্জন শৰ্মা (সম্পা), জ্যোতিপ্ৰৱাহ,পৃ-৩৭

২. "শ্ৰী ৰামচন্দ্ৰ চৰিত্ৰত অভিনয় কৰি ভোগেশ্বৰ দত্তই দৰ্শকক মুগ্ধ কৰিছিল"
শিৱৰঞ্জন শৰ্মা (সম্পা), জ্যোতিপ্ৰৱাহ,পৃ-৩৭

৩. উল্লেখিত গ্ৰন্থ, পৃ-৪২

৪. চাৰু কোঁৱৰৰ সাক্ষাৎকাৰ ভিত্তিক-"পহুখোৱা প্ৰাথমিক বিদ্যালয়ত ১৯৮৭ চনত ডিচেম্বৰ মাহত 'কুশল কোঁৱৰ','আতামণি' আৰু ১৯৮৮ চনত ৰামেশ্বৰ কোঁৱৰৰ ৰচনা, চাৰু কোঁৱৰে নাট্যৰূপ দিয়া আৰু অজিত কোঁৱৰ আৰু নিখিল চাংমাইৰ পৰিচালনাত 'কুম্ভকৰ্ণ' নাট মঞ্চস্থ কৰে।"

৫.শিৱৰঞ্জন শৰ্মা (সম্পা), জ্যোতিপ্ৰৱাহ,পৃ-৩৮

৬. আৰতী তামূলী বৰগোহাঁই সাক্ষাৎকাৰ ভিত্তিক-" জ্যোতিৰূপা প্ৰথম অভিনেতা-অভিনেত্ৰী তথা এই দলৰ লগত বিশেষভাৱে জড়িত ব্যক্তিসকল হ'ল- ৰজনীকান্ত দত্ত, নিত্যানন্দ শৰ্মা, সাধিৰাম শইকীয়া, ডম্বৰুধৰ নেওগ, গোলাপ বৰগোহাঁই, ইন্দ্ৰেশ্বৰ গগৈ, ৰাসাল শৰ্মা, জগত গগৈ, অপূৰ্ব দত্ত, লক্ষ্মণ চেতিয়া, বিপিন দত্ত, অজিত কোঁৱৰ, বিনন্দ দত্ত, বীৰেন চেতিয়া, তৰুণ চেতিয়া, সপোন মাধুৰী দত্ত, ইন্দ্ৰেশ্বৰ দত্ত,বীনা দত্ত, দীপা শৰ্মা, পূৰ্ণিমা গগৈ, প্ৰিয়লতা দত্ত, মামনী গোহাঁই, ডামিলী নেওগ, সন্ধ্যা গগৈ, নুমলী চেতিয়া, কুমলী গগৈ, বন্তি বেজবৰুৱা, গোপাল কৈৰী, আৰতি তামুলী বৰগোহাঁই আদি। এই শিল্পীসকলৰ উপৰিও স্থানীয় ব্যক্তিয়ে দলটিৰ সফলতাত অৰিহণা যোগাইছিল।

৭.প্ৰমোদ বুঢ়াগোহাঁইৰ সাক্ষাৎকাৰ ভিত্তিক-১৯৯৯ চনত নিতাইপুখুৰীত 'জঙ্গম' নাট্যগোষ্ঠী নামেৰে এটা অনুষ্ঠান গঠন কৰা হৈছিল।

৮.শিৱৰঞ্জন শৰ্মা (সম্পা), জ্যোতিপ্ৰৱাহ,পৃ-৪২

৯. চাৰু কোঁৱৰৰ সাক্ষাৎকাৰ ভিত্তিক-নিতাই কোঁৱৰ গাঁৱত চাৰু কোঁৱৰৰ নেতৃত্বত 'প্ৰগতিশীল যুৱ সংঘ'ই 'সাকোঁ','কুশল কোঁৱৰ' আৰু ৰামেশ্বৰ কোঁৱৰৰ 'সত্যাগ্ৰহী জয়মতী' নাটক কৰাৰ উপৰিও কোঁৱৰ গাঁৱৰ পৰা গৈ আমগুৰি আৰু গড়গাঁৱত চেৰেটি শ্ব'কৰিছিল।

১০. ৰজনীকান্ত দত্তৰ সাক্ষাৎকাৰ ভিত্তিক-২০০৪ চনত নিতাইপুখুৰীত নাটকৰ কৰ্মশালা অনুষ্ঠিত কৰি নাট্য শিক্ষা দিয়া হয়। এই অঞ্চলৰে উদীয়মান যুৱতী মিনাক্ষী দত্তই সম্প্ৰতি ভ্ৰাম্যমাণ তথা দূৰদৰ্শনত নাটকৰ অভিনয় কৰি নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছিল।

Head ... C.D.C. ... Nitai ... Sivasagar

**সহায়ক গ্ৰন্থপঞ্জী :**


গগৈ তৰুণ (সম্পা)
দাস নিভা (সম্পা)
খনিকৰ ৰঞ্জিত (সম্পা)
বৰুৱা মেঘালী (সম্পা) ঃ হৈমজ্যোতি, প্ৰকাশক- দিগন্ত গগৈ, হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতি, ২০১৬ জুলাই

চেতিয়া সৰুজ (সম্পা) ঃ জ্ঞানম, নিতাই কোঁৱৰ গাঁও প্ৰাথমিক বিদ্যালয় সোণালী জয়ন্তী উদ্‌যাপন উপলক্ষ্যে প্ৰকাশিত গ্ৰন্থ, সুলেখা প্ৰিণ্টাৰ্ছ, নিতাইপুখুৰী, ২০২০, ২০ জানুৱাৰী

ডেকা বুজৰবৰুৱা পল্লৱী ঃ গৱেষণা পদ্ধতি বিজ্ঞান, বনলতা, নতুন বজাৰ, ডিব্ৰুগড়-১, জুলাই ২০১৭

ভট্টাচাৰ্য্য শ্ৰী হৰিচন্দ্ৰ ঃ অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি, লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ ২০১৬

মহন্ত, পোনা ঃ নাটকৰ কথা বনলতা, ডিব্ৰুগড় প্ৰথম সংস্কৰণ ফেব্ৰুৱাৰী, ২০০৪ স্মৃতিগ্ৰন্থ

শইকীয়া নগেন ঃ গৱেষণা পদ্ধতি পৰিচয়, বনলতা, ডিব্ৰুগড়-১

শৰ্মা শিৱৰঞ্জন (সম্পা) ঃ জ্যোতিপ্ৰৱাহ, প্ৰকাশক-আৰতী তামুলী বৰগোহাঁই, মুদ্ৰণ-প্ৰিণ্টটেক, লাচিত নগৰ, তিতাবৰ ২০০৮-০৯ বৰ্ষ

হাজৰিকা লিলি (সম্পা) ঃ দিহিংপাৰৰ জোনাক, বাবলি প্ৰিণ্টাৰ্ছ, নিতাইপুখুৰী, ২০২০, ২৯ জানুৱাৰী


H.C.D.G. College
Nitai ... Sivasagar

**পৰিশিষ্ট-১**

**প্ৰকল্প প্ৰস্তুতকৰণৰ বাবে সমল ব্যক্তিক সোধা প্ৰশ্নৰ নমুনা-**

১. নিতাই-পানীদিহিং অঞ্চলৰ নাট্যচৰ্চাৰ বিষয়ে অৱগত কৰিবনে ?

২. নাট্যকাৰসকলৰ নাম ?

৩. নাট্যগোষ্ঠীৰ নাম ?

৪. কেতিয়াৰ পৰা এই অঞ্চলটোত নাট্যচৰ্চা আৰম্ভ হৈছিল ?

৫. আপোনাৰ গাঁও বা অঞ্চলৰ অভিনেতা-অভিনেত্ৰী সকলৰ বিষয়ে জনাবচোন।

৬. আপোনাৰ গাঁও বা অঞ্চলৰ নাট্যচৰ্চাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা অনুষ্ঠান বা নাট্যগোষ্ঠীৰ সম্পৰ্কে কিছু কথা জনাব নেকি ?

৭. কেনেধৰণৰ বিষয়বস্তুৰ আধাৰত নাট্যচৰ্চা হৈছিল বা হৈছে?

৮. জ্যোতিৰূপা থিয়েটাৰৰ সৈতে বিশেষভাৱে জড়িত নিতাইপুখুৰী অঞ্চলৰ ব্যক্তি সকলৰ পৰিচয় দিবনে ?

৯. বৰ্তমান সময়ত নিতাইপুখুৰী অঞ্চলৰ নাট্যচৰ্চাৰ বিষয়ে অকণমান আভাস দিয়ক ?

১০. নিতাইপুখুৰী অঞ্চলত কিমান চনৰ পৰা নাট্যচৰ্চা আৰম্ভ হৈছিল বুলি ক'ব পাৰি ? ইয়াৰ সাক্ষাৎ প্ৰমাণ আছেনে ?

পৰিশিষ্ট-২

তথ্য দাতাৰ তালিকা ঃ

১. নাম : ৰজনীকান্ত দত্ত
বয়স : ৯১ বছৰ
গাঁও : হাঁহবৰা চুক, নিতাইপুখুৰী
দূৰভাষ : ৮৪৭১৮৯৮২২১

২. নাম : চাৰু কোঁৱৰ
বয়স : ৭২ বছৰ
গাঁও : নিতাই কোঁৱৰ গাঁও
দূৰভাষ : ৮১৩৫৯১৯১০৯

৩. নাম : আৰতি তামুলী বৰগোহাঁই
বয়স : ৬৫ বছৰ
গাঁও : নিতাইপুখুৰী
দূৰভাষ : ৯১০১৪৩৯৩৫০

৪. নাম : লিলি হাজৰিকা
বয়স : ৬৫ বছৰ
গাঁও : দিহিঙীয়া গাঁও
দূৰভাষ : ৭৬৩৭৮৯২৮৩৭

৫. নাম : নিৰোজ কুমাৰ ৰাজমেধি
বয়স : ৭৫
গাঁও : কটিয়ৰী
দূৰভাষ :৭৮৯৬৬৯৩৭১৮

৬. নাম : দুলাল কোঁৱৰ
বয়স : ৬১ বছৰ
গাঁও : নাওপৰা
দূৰভাষ : ৯৬১৩৫৯৩৩২৬

৭. নাম : প্ৰমোদ বুঢ়াগোহাঁই
বয়স : ৫২ বছৰ
গাঁও : নাওপৰা
দূৰভাষ : ৬০০০৭৯৩৮৪৮

৮. নাম : ইন্দুমণি চেতিয়া
বয়স : ৩৭ বছৰ
গাঁও : নিতাইপুখুৰী
দূৰভাষ : ৯১০১৪৩৯৩৫০

৯. নাম : অৰূপ সোণোৱাল
বয়স : ৬২ বছৰ
গাঁও : জামিৰা গাঁও
দূৰভাষ : ৯১০১০৬২৯৩৩


১০. নাম : মনোৰঞ্জন গগৈ
বয়স : ৮০ বছৰ
গাঁও : নিতাইপুখুৰী
দূৰভাষ : ৯৯৫৪৯০৯৮৬৪


১১. নাম : যতীন বৰগোহাঁই
বয়স : ৫২ বছৰ
গাঁও : পাৰলিগুৰি
দূৰভাষ : ৯১০১১০৫১২৪


১২. নাম : তিলক গৌতম
বয়স : ৫২ বছৰ
গাঁও : তেতেলীগুৰি ধাইবাৰী
দূৰভাষ : ৯৮৫৪৩৮৫৪৪২


# জ্যোতিৰূপা থিয়েটাৰৰ অভিনীত কেইখনমান নাটকৰ পাণ্ডুলিপি










নাট পৰিচালনা : বেৰ বৰা,
সংগীত পৰিচালনা : দেবজিৎ গোস্বামী
জ্যোতিৰূপা থিয়েটাৰ


৩০ তম নাট্যবৰ্ষ (২০০৫-০৬) ত
বেৰ বৰাৰ
জোনবাই
নৃপেন মহন্তৰ
সেন্দুৰ পিন্ধাব কোনে ?
প্ৰযোজক/পৰিচালক
আৰতী তামুলী বৰগোঁহাই
উজনী অসমৰ
সৰ্বপ্ৰথম ভ্ৰাম্যমাণ নাট্যদল
জ্যোতিৰূপা থিয়েটাৰ
নিতাইপুখুৰী, শিৱসাগৰ-৭৮৫৬৭১
DRISHTI PRINTE


জ্যোতিৰূপা থিয়েটাৰ
মুখ্য কাৰ্যালয় ঃ নিতাইপুখুৰী, শিৱসাগৰ ঃ ফোন - (০৩৭
প্ৰযোজনা/পৰিকল্পনা
আৰতী তামুলি বৰগোঁহাই
পূৰ্ণানন্দ ফুকন
নৃপেন মহন্তৰ
তৰা গাভৰু হ'ল
অৱতাৰ সিঙৰ
ৰঙা পুলিচ
জোনাকত
বৰষা
মেঘ
সমৰেন্দ্ৰ বৰ্মণৰ
শুভ-বিবাহ
ঃ প্ৰতিনিধি ঃ
যোগেন কলিতা
গোলক চৌধুৰী
বিভূতি চাংমাই
সম্পাদক ঃ বাণীকান্ত শইকীয়া, সংগীত ঃ প্ৰভাত ৰয়, পোহৰ ঃ নিৰ্মল লহকৰ


উজনী অসমৰ সৰ্বপ্ৰথম ভ্ৰাম্যমান নাট্যদল
জ্যোতিৰূপা থিয়েটাৰ
মুখ্য কাৰ্য্যালয় ঃ নিতাইপুখুৰি, শিৱসাগৰ, ফোন ঃ ২২৭৬৬১
২৮ তম নাট্যবৰ্ষৰ নাট্যসম্ভাৰ
পবিত্ৰ কুমাৰ ডেকাৰ
বুকুত তেজৰ দাগ
অৱতাৰ সিঙৰ
দেউতাৰ সংসাৰ
ড° সতীশ গোস্বামীৰ
কালিকা লগা বিজুলীঘাট
জোনাকত বৰষা মেঘ
?
প্ৰযোজক/পৰিকল্পনা ঃ আৰতি তামুলী বৰগোহাঁই
সম্পাদক ঃ যতীন বাড়া
GHY-6, PH. 2228145

# তথ্য দাতাসকলৰ সৈতে সাক্ষাৎকাৰৰ মুহূৰ্ত



ৰজনীকান্ত দত্ত ছাৰৰ সৈতে



আৰতি তামুলী বৰগোহাঁই
বাইদেউৰ সৈতে




পিকুমণি চুতীয়া বাইদেউৰ সৈতে





চাৰু কোঁৱৰ ছাৰৰ সৈতে

